**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনক লৈ আলোচনা কৰা হ'ব। কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জল ভট্টাচাৰ্য্যলৈ আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে। এই সন্দৰ্ভত ছাত্ৰ সন্থাৰ নেতৃত্বই কয় যে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে হোৱা আলোচনাত অসম চৰকাৰে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনত ৰাজ্য চৰকাৰৰ আওতাৰ ৪০ টা বিষয় ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্যকৰী কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ আওতাত পৰা ১২ টা বিষয়ৰ একে সময়তে কাৰ্যকৰী কৰা হ'ব বুলিও পূৰ্বৰ আলোচনাত কোৱা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰা ১৫ টা বিষয় কাৰ্যকৰীকৰণৰ ব্যৱস্থা লবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব। বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ আওতাত পৰা বিষয়সমূহ কাৰ্যকৰী কৰাৰ বাবে এখন কৰ্মসূচী প্ৰস্তুত কৰি ছাত্ৰ সন্থাক অৱগত কৰাৰ লগতে এই সন্দৰ্ভত সংগঠনটোৰ মত গ্ৰহণ কৰিব।

oooooo

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৬৫৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৩৮ হাজাৰ ৭৯৫ গৰাকী ছাত্ৰী আছে। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিত বিষয়ৰ অ' এম আৰ ছিটৰ চাৰিটাকৈ ছেট থাকিব। অৰ্থাৎ প্ৰশ্নসমূহ একে হ'ব যদিও প্ৰশ্নৰ ক্ৰমিক নম্বৰ প্ৰতিটো ছেটতে বেলেগ বেলেগ হ'ব।

পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰীক্ষাৰ সময়ছোৱাত ইণ্টাৰনেট ব্যৱস্থা বাহাল থকাৰ পৰিপ্ৰেক্ষিতত নিৰীক্ষক, ছুপাৰ ভাইজিং বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে ম'বাইল ফোনৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে।

oooooo

ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয় আৰু স্পীয়েৰৰ উদ্যোগত অহা ১৮ আৰু ১৯ ফেব্ৰুৱাৰীত প্ৰথমবাৰৰ বাবে শৈক্ষিক মেলাৰ আয়োজন কৰা হৈছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুৰাগীৰ বাবে উল্লেখযোগ্য

হিচাপে আয়োজিত এই মেলাত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ শিক্ষানুষ্ঠানৰ বৈচিত্ৰপূৰ্ণ পৰিসৰ একত্ৰিত হ'ব। শৈক্ষিক মেলা ২০২৫ৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন শৈক্ষিক আৰু কেৰিয়াৰৰ সুযোগসমূহ অন্বেষণ কৰাৰ এখন মঞ্চ প্ৰদান কৰা। মেলাত দেশৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু পেচাদাৰী প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰি বিভিন্ন পাঠ্যক্ৰম, বৃত্তি আৰু কেৰিয়াৰৰ সম্ভাৱনাৰ বিষয়ে তথ্য আগবঢ়াব। এই শৈক্ষিক মেলাই অংশগ্ৰহণকাৰীসকলক বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধিৰ সৈতে মত বিনিময়, তথ্য সংগ্ৰহ আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নিৰ্বাচন কৰাৰ সুন্দৰ সুযোগ প্ৰদান কৰিব। কেৰিয়াৰ কাউন্সিলিং, নামভৰ্তিৰ পদ্ধতি আৰু দক্ষতা বিকাশৰ বিষয়ে হ'বলগীয়া অধিৱেশনসমূহো মেলাৰ মূল আকৰ্ষণ হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

আলফা স্বাধীন আৰু এন এছ চি এন (আংমাই) গোটৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰা দুজন যোগাযোগকাৰীক কালি সোণাৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। যোগাযোগকাৰী দুজন নগাঁও আৰক্ষী থানাৰ অন্তৰ্গত জুৰিয়া গাঁৱৰ মহৰম আলী আৰু চৰাইদেউ জিলাৰ সঞ্জু দাস বুলি চিনাক্ত কৰা হৈছে। সোণাৰি আৰক্ষীয়ে দুয়োজন যোগাযোগকাৰীক অসম-নাগালেণ্ডৰ সীমান্তৱৰ্তী নামতোলা-হাতীকেম্প এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰে। লোক দুজনে প্ৰতিষ্ঠিত ব্যৱসায়ী আৰু বিশিষ্ট লোকৰ মোবাইল নম্বৰ গোপনে সংগ্ৰহ কৰি আলফা আৰু এন এছ চি এনক যোগান ধৰাৰ লগতে সংগঠন দুটাৰ লগত নিয়মীয়াকৈ মোবাইলযোগে বাৰ্তালাপ কৰাৰ তথ্য অসম আৰক্ষীয়ে লাভ কৰিছিল।

০০০০০০

অসম বিজ্ঞান সমিতিৰ গৌৰীসাগৰ-দিখৌমুখ শাখাৰ উদ্যোগত কালি শাখাৰ মুখ্য কাৰ্যালয়ত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস আৰু অসম বিজ্ঞান দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। অনুষ্ঠানত জলবায়ু পৰিৱৰ্তন আৰু আমাৰ কৰণীয় শীৰ্ষক বিজ্ঞান দিৱসৰ মূল বিষয়ক লৈ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ ৰসায়নবিদ পল্লৱ কলিতাই বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে অসম বিজ্ঞান সমিতিৰ সমাগত ঢকুৱাখনা অধিৱেশনৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়।

০০০০০০

উত্তৰাখণ্ডৰ হল্দ'ৱানীত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কালি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান পৰিৱেশেনেৰে সামৰণি পৰে। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে উত্তৰাখণ্ড চৰকাৰক অভিনন্দন জনায়। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহক সেউজ ক্ৰীড়া বুলি প্ৰশংসা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰাখণ্ডই সমগ্ৰ দেশকে পৰিৱেশ অনুকুল ক্ৰীড়া অনুষ্ঠিত কৰাৰ এটা উদাহৰণ দাঙি ধৰিলে। শ্ৰীশ্বাহে ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ মেঘালয়ত অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে কয়, যে মেঘালয়ে চৰকাৰে এই ক্ৰীড়া সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতা আন ছখন উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যতো অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে বুলি প্ৰকাশ কৰে। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণিৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছতে গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পতাকা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ হাতত অৰ্পণ কৰে।

০০০০০০

সমাপ্ত